# His Highness Prince Faisal bin Farhan Al Saud, the Minister of Foreign Affairs of the Kingdom of Saudi Arabia calls on Prime Minister Shri Narendra Modi

September 20, 2021

## প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ ছৌদি আৰৱৰ যুৱৰাজ, বিদেশমন্ত্ৰী ফায়জাল বিন ফাৰহান আল সাউদৰ

**চেপ্তেম্বৰ 20, 2021**

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীক আজি ছৌদি আৰৱৰ যুৱৰাজ তথা বিদেশমন্ত্ৰী ফায়জাল বিন ফাৰহান আল সাউদে সাক্ষাৎ কৰে।

এই উপলক্ষে অনুষ্ঠিত বৈঠকত দুয়োখন দেশৰ কৌশলগত অংশীদাৰিত্ব পৰিষদৰ কাম-কাজকে ধৰি বিভিন্ন দ্বিপাক্ষিক প্ৰচেষ্টাৱলীক লৈ পৰ্যালোচনা হয়। ইন্ধন, তথ্য-প্ৰযুক্তি আৰু প্ৰতিৰক্ষা সামগ্ৰী, উৎপাদনৰ দৰে গুৰুত্বপূৰ্ণ ক্ষেত্ৰত প্ৰধানমন্ত্ৰীয়ে ছৌদি আৰৱৰ পৰা আৰু অধিক অধিক বিনিয়োগ হোৱাটো বিচাৰে।

বৈঠকত আফগানিস্তানৰ পৰিস্থিতিকে ধৰি আঞ্চলিক বিভিন্ন বিষয়ক লৈ তেওঁলোকে বাৰ্তালাপ কৰে।

ক'ভিড-১৯ মহামাৰীৰ সময়ত ছৌদি আৰৱত বসবাস কৰা ভাৰতীয়সকলে যাতে কোনো সমস্যা নহয়, তাৰ বাবে দেশখনৰ প্ৰশাসনে গ্ৰহণ কৰা প্ৰয়োজনীয় ব্যৱস্থাৰ বাবে প্ৰধানমন্ত্ৰীয়ে ছৌদি চৰকাৰক বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰে।

প্ৰধানমন্ত্ৰীয়ে ছৌদি যুৱৰাজকো আন্তৰিক অভিনন্দন জ্ঞাপন কৰে।

**নতুন দিল্লী**
**চেপ্তেম্বৰ 20, 2021**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.